প্ৰবীণ ফুকনৰ 'মণিৰাম দেৱান'

নাট্যকাৰৰ পৰিচয় ঃ

প্ৰবীণ ফুকন অসমীয়া নাট্য সাহিত্যৰ এটি পৰিচিত নাম। 'কাল পৰিণয়' নাটকৰ জৰিয়তে ফুকনে নাট্যকাৰ হিচাপে আত্মপ্ৰকাশ কৰে। এওঁৰ নাটকৰ সংখ্যা প্ৰায় ত্ৰিশখন। তাৰ ভিতৰত 'আসাম হলিউড্' (১৯৩৮), 'কাল পৰিণয়' (১৯৪৯), 'মণিৰাম দেৱান'(১৯৪৮), 'লাচিত বৰফুকন' (১৯৪৯), 'শতিকাৰ বাণ' (১৯৫৪), 'বিশ্বৰূপা' (১৯৬১), আদিয়েই প্ৰধান। সামাজিক আৰু ঐতিহাসিক বিষয়বস্তু লৈ নাটক লিখাৰ উপৰি ফুকনে কেইবাখনো সাৰ্থক চিত্ৰনাট্য আৰু অনাতাঁৰ নাট লিখি থৈ গৈছে। 'বহুৰূপী', 'দুই দোষ্ট', 'কমাৰ্চিয়েল মেৰেজ', 'বংশধ্বজৰ কীৰ্ত্তি', 'বহ্বাৰম্ভে লঘুক্ৰিয়া', 'ৰাম টাঙোন' আদি ফুকনৰ উল্লেখযোগ্য প্ৰহসন। ফুকনৰ দ্বাৰা ৰচিত অনাতাঁৰ নাটসমূহৰ ভিতৰত 'নদ আৰু নদী' (১৯৬২), 'ছাইক্লন' (১৯৬২), 'নপতা ফুকন' (১৯৭৪), 'অভাৰ ব্ৰিজ' (১৯৭৪), 'চতুৰঙ্গী' (১৯৭৩), 'সমিধান' (১৯৭৭), 'নীল মাধৱ' (১৯৮১) আদিয়েই প্ৰধান।

প্ৰবীণ ফুকন অকল নাট্যকাৰেই নহয়; এজন সুদক্ষ অভিনেতা, সঙ্গীতানুৰাগী আৰু খেলুৱৈ আছিল। 'পাৰঘাট' আৰু 'লখিমী' বোলছবিৰ অভিনয়ৰে ফুকনে অভিনয় দক্ষতাৰ পৰিচয় দি গৈছে। ১৯৮৫ চনৰ ১৪ এপ্ৰিলত এই গৰাকী কৃতী নাট্যকাৰৰ দেহাৱসান ঘটে।

তেওঁৰ সামাজিক নাটকসমূহ সাধাৰণতে সমাজৰ ধনী-মানী সম্ভ্ৰান্ত পৰিয়ালৰ ব্যক্তিক কেন্দ্ৰ কৰি ৰচিত হৈছে আৰু এইবোৰৰ মাজেদি নাট্যকাৰে নিজৰ সহানুভূতিশীল অন্তৰৰ পৰিচয় দিবলৈ সক্ষম হৈছে। তেওঁৰ প্ৰায়বোৰ নাটতেই নাট্যকাৰৰ সংস্কাৰকামী মনৰ পৰিচয় পোৱা যায়। পুৰণিকলীয়া ৰক্ষণশীল সমাজৰ ধৰ্মান্ধতা আৰু অন্ধগোড়ামিৰ অৱসান ঘটাই বাস্তৱ জগতৰ সৈতে খাপ খোৱাকৈ আধুনিকতাৰ পথত অগ্ৰসৰ হোৱাটো তেওঁৰ কাম্য। 'আসাম হলিউড্' 'শতিকাৰ বাণ' 'বিশ্বৰূপা' আদি নাটকত এনে মনোভাৱৰ স্বাক্ষৰ স্পষ্ট।

'নাৰী স্বাধীনতা' ফুকনৰ নাটকৰ আন এটি মনকৰিবলগীয়া বৈশিষ্ট্য। 'ফেৰিৱালা'ত শেৱালি আৰু 'বিশ্বৰূপা'ত ৰেণুৱে স্বেচ্ছাই স্বামী নিৰ্বাচন কৰি নাৰী-স্বাধীনতাৰ পৰিচয় দিছে।

Scanned with CamSc

ঐতিহাসিক নাটসমূহত নাট্যকাৰে প্ৰায়েই ছদ্মবেশী চৰিত্ৰৰ অৱতাৰণাৰে নাটকীয় বিষয়বস্তু আকৰ্ষণীয় ৰূপত ফুটাই তুলিবলৈ যত্ন কৰিছে।

নাটখনৰ আলোচনা ঃ

মণিৰাম দেৱান তিনিটা অঙ্ক আৰু এঘাৰটা দৃশ্য সম্বলিত এখনি ঐতিহাসিক নাটক। নাটকখন আহোম ৰাজত্বকালৰ শেষ সময়ছোৱাৰ এক দুৰ্যোগপূৰ্ণ ৰাজনৈতিক তথা ঐতিহাসিক পটভূমিৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা হৈছে। ছশ বছৰীয়া আহোম ৰাজত্বৰ পতনে এহাতে যেনেকৈ দেশৰ আৰ্থসামাজিক দিশটোৰ গতি ধ্বংসমুখী কৰি তুলিছে, ঠিক তেনেকৈ মান-মৰাণৰ সঘন আক্ৰমণে দেশৰ ঐক্য আৰু অখণ্ডতাৰ প্ৰতিও ভাবুকিৰ সৃষ্টি কৰিছে, আনহাতে দুৰ্বলচিতীয়া স্বৰ্গদেৱৰ বংশধৰসকলে শত্ৰুৰ বিপক্ষে মূৰ তুলি থিয় হ'বলৈ সাহস গোটাব নোৱাৰি মানৰ উপদ্ৰৱৰ পৰা অসমক উদ্ধাৰ কৰিবৰ বাবে সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰা অহা বিদেশী ব্ৰিটিছৰ শৰণাগত হ'বলগীয়া হয়।

১৮২৫ খৃষ্টাব্দত মানৰ উপদ্ৰৱৰ পৰা অসমক ৰক্ষা কৰাৰ অৰ্থে ডেভিদ স্কট চাহাব অসমলৈ আহে আৰু মণিৰাম দেৱানে ব্ৰিটিছৰ সহযোগত দেশৰ শান্তি শৃঙ্খলা স্থাপন কৰাত আগভাগ লয়। তেওঁ কিছুদিন ব্ৰিটিছৰ অধীনত পেছকাৰ, চিৰস্তাদাৰ আদি বিষয় ভোগ কৰি ব্ৰিটিছ চৰকাৰৰ অন্যায় শাসন আৰু শোষণ নীতিৰ প্ৰতি অসহিষ্ণু হৈ উঠিল। সেয়ে অসমৰ শাসনভাৰ কোম্পানীৰ হাতৰ পৰা একেবাৰে আনি তাৰ ঠাইত এজন দেশীয় শাসকৰ হাতত তুলি দিয়াৰ পোষকতা কৰি মণিৰামে তেতিয়াৰ যুৱৰাজ কন্দৰ্পেশ্বৰ সিংহৰ হৈ কলিকতাত লাট চাহাবক সাক্ষাৎ কৰে আৰু তাৰ পৰা ৰজালৈ গোপন পত্ৰ প্ৰেৰণ কৰে। কিন্তু, দুৰ্ভাগ্যৰ বিষয় যে চিঠিখন ৰজাৰ হাতত পৰাৰ আগতে সেই সময়ত অসমৰ শাসনৰ দায়িত্বত থকা ব্ৰিটিছ বিষয়া মিলচ্ আৰু হলৰইড্ চাহাবৰ হস্তগত হ'ল। পাছত অন্যায়ভাবে মণিৰামক ফাঁচি দিয়া হ'ল।

প্ৰথম অৱস্থাত ব্ৰিটিছৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক থাকিলেও মণিৰামৰ সৈতে ব্ৰিটিছৰ সেই সম্পৰ্কে বেছিদিন স্থায়ী নহ'ল। অসম ৰাজ্য ব্ৰিটিছৰ কবলৰ পৰা মুক্ত কৰিবলৈ আহি গোজেই গঁজালি হোৱা ব্ৰিটিছৰ শোষণ নীতিৰ প্ৰতিবাদ দেশৰ সকলো স্তৰতেই আৰম্ভ হ'ল। প্ৰথম অংকত আহোম ৰাজকোঁৱৰ কন্দৰ্পেশ্বৰ সিংহক অসমৰ ৰাজ্যভাৰ ঘূৰাই দি দেশত আহোম ৰাজত্বৰ নিয়মসমূহ পুনৰ প্ৰৱৰ্ত্তন কৰিবৰ বাবে জজ মিলৰ ওচৰত মণিৰাম দেৱানে দাখিল কৰা আৰ্জিৰ ফলত মণিৰাম দেৱানৰ সৈতে ব্ৰিটিছৰ পদলেহনকাৰী হৰনাথ বৰুৱা আৰু ব্ৰিটিছ বিষয়া হলৰইড় আৰু শেষত মণিৰাম, পিয়লি দুতিৰামৰ ইংৰাজ খেদাৰ গুপ্ত আয়োজন প্ৰদৰ্শন কৰা হৈছে। হৰনাথে কুট-

Scanned with CamSc

কৌশলেৰে মণিৰাম দেৱানক বন্দী কৰি ব্ৰিটিছ চৰকাৰৰ অধিক প্ৰিয়পাত্ৰ হ'বলৈ বিচাৰিছে ঃ

"হৰনাথ ঃ চৰকাৰ বাহাদুৰ, অসমীয়া প্ৰজাৰ গাত কোনো দোষ নাই। অসমীয়া জাতি নিচেই অকৰা। ধূৰ্ত্ত দেৱানেই হৈছে সকলোৰে আদি মূল। সেই কাৰণেই দেৱানক বন্দী কৰাৰ কথা কমিশ্যনাৰ বাহাদুৰৰ আগত মই বাৰে বাৰে জনাইছো।"

হৰনাথৰ অত্যাচাৰত অতিষ্ঠ হৈ মণিৰাম দেৱানে দুতিৰামক কৈছে ঃ

"দেৱান ঃ নিয়তিৰ কি পৰিহাস বৰুৱাদেউ! হৰনাথ বৰুৱাৰ দৰে এটা ইংৰাজৰ পদসেৱী নিলাজ কুকুৰেও মহামান্য ইন্দ্ৰবংশী ৰাজপৰিয়ালৰ গাত হাত তুলিবলৈ সাহ কৰে।"

দ্বিতীয় অংকৰ আৰম্ভণিতে মিল আৰু হলৰইড্‌ৰ সৈতে মণিৰাম মুখামুখি সংঘৰ্ষত লিপ্ত হৈছে ঃ

"দেৱান ঃ ভুল নকৰিবা হলৰইড। মণিৰাম দেৱানৰ দেহা তেজে তুমুৰলি হৈ মাটিৰ লগত মিহলি হৈ যাব পাৰে — কিন্তু, সেইবুলি ঠগ, প্ৰৱঞ্চক বগা বন্তানৰ ওচৰত কেতিয়াও হাৰ নামানে।"

মিল আৰু হলৰইড্ চাহাবৰ সৈতে কথা নিমিলাত মণিৰামে কোম্পানীৰ উচ্চপদস্থ বিষয়াক লগ ধৰিবৰ বাবে কলিকতালৈ যাত্ৰা কৰে। যাবৰ সময়ত পিয়লীক বিপদত ধৈৰ্য-ধৰি কৰ্ত্তব্য পথত অগ্ৰসৰ হ'বৰ বাবে সোঁৱৰাই দিয়ে। এইখিনিলৈকে নাটকীয় কাহিনীভাগ মন্থৰ গতিত আগবাঢ়িছে।

তৃতীয় অংকৰ প্ৰথম দৃশ্যত দুতিৰাম চিৰস্তাদাৰৰ ঘৰ খানাতালাচ কৰি হৰনাথে কিছুমান গুৰুত্বপূৰ্ণ কাগজ হস্তগত কৰিছে আৰু লগতে মণিৰাম দেৱানে কলিকতাৰ পৰা প্ৰেৰণ কৰা অভিসন্ধিমূলক এখনি চিঠিও উদ্ধাৰ কৰিছে। তৃতীয় অংকত নাট্যকাহিনীয়ে ক্ষিপ্ৰগতিত অগ্ৰসৰ হৈ পৰিণতিৰ পথত আগবাঢ়িছে। এই অংকৰ মুঠ চাৰিটা দৃশ্যত অতি কম পৰিসৰৰ ভিতৰতে মণিৰাম, দুতিৰাম আদিৰ গ্ৰেপ্তাৰ, হৰনাথৰ দ্বাৰা কন্দৰ্পেশ্বৰ সিংহৰ ৰাজহাউলী আক্ৰমণ, বন্দী পিয়লী আৰু দুতিৰামৰ ওপৰত হৰনাথৰ অত্যাচাৰ, কলিকতাৰ পৰা মণিৰামৰ বিচাৰ সম্পৰ্কে অহা তাঁৰবাৰ্তা আৰু মণিৰাম দেৱানৰ ফাঁচী আদি সমস্ত ঘটনা সামৰি লোৱা হৈছে। ফলত নাটকীয় কাহিনীৰ স্বাভাৱিক বিকাশ সম্ভৱ হৈ নুঠিল।

নাটকীয় কাহিনী বিকাশত প্ৰথম দুটা অংকত চিত্ৰিত ললিতা আৰু ফুলকুমাৰী সংশ্লিষ্ট ঘটনাৱলীয়ে কোনো ধৰণৰ সহায় কৰা দেখা নাযায়। চৰিত্ৰ দুটিয়ে নাটকীয় কাহিনীৰ অগ্ৰগতিত কেনে ধৰণৰ ভূমিকা গ্ৰহণ কৰিলে তাৰো স্পষ্ট আভাস দিবলৈ নাট্যকাৰ সক্ষম হোৱা নাই। ছদ্মবেশী ফুলকুমাৰীয়ে কি বিশেষ গোপন তথ্য সংগ্ৰহ কৰি মণিৰাম দেৱানক সহায় কৰিছিল, তাৰ উল্লেখো নাটখনত পোৱা নাযায়।

Scanned with CamSc

নাটখনত দুই এটি ঐতিহাসিক অসঙ্গতিও নোহোৱা নহয়। ১৮৫৭ চনত অসমত টেলিগ্ৰামৰ যোগেদি তাঁৰবাৰ্তা প্ৰেৰণ কৰাৰ সুবিধা নাছিল, গতিকে নাটত দেখুৱা, 'তাঁৰ বাৰ্তা' এটা ঐতিহাসিক অসঙ্গতি। দ্বিতীয়তে মণিৰাম দেৱানৰ ফাঁচিৰ লগত জজ্ মিল জড়িত নাছিল। ১৮৫৪ চনত সেই ৰিপোৰ্ট প্ৰকাশ হয়। তেওঁ শিৱসাগৰ জিলাৰ সদৰ কমিচনাৰ নাছিল।" ১

চৰিত্ৰ সৃষ্টি ঃ

চৰিত্ৰ সৃষ্টিৰ ফালৰ পৰা চাবলৈ গ'লে মণিৰাম দেৱানৰ চৰিত্ৰত নিৰ্ভীকতা, স্বদেশ প্ৰেম আৰু ৰাজভক্তিৰ নিদৰ্শন পোৱা যায়। প্ৰথম অৱস্থাত অসমৰ শান্তি প্ৰতিষ্ঠাত ইংৰাজৰ সহযোগী হিচাপে কাম কৰি শেষত ব্ৰিটিছ চৰকাৰৰ শোষণ-নীতিৰ স্বৰূপ উপলব্ধি কৰি মণিৰাম দেৱানে দেশত আহোম শাসন নীতি পুনৰ প্ৰৱৰ্তন কৰাৰ পোষকতা কৰে। সেই উদ্দেশ্যে তেওঁ মিল আৰু হলৰইড্ চাহাবৰ ওচৰত এখন আৰ্জি পেছ কৰে যদিও ব্ৰিটিছৰ পদলেহনকাৰী পুলিচ বিষয়া হৰনাথৰ কু-চক্ৰান্তত তেওঁৰ সকলো চেষ্টা ব্যৰ্থ হয়। বগা বঙালৰ চক্ৰান্তৰ পৰা অসমক মুক্ত কৰাৰ চিন্তাত মণিৰামৰ চকুৰ টোপনি নোহোৱা হয়। তেওঁ পিয়লি, ফৰ্মুদ্দালি, বাহাদুৰ গাঁওবুঢ়া আদিৰ সহযোগত অসমবাসীক ব্ৰিটিছৰ বিৰুদ্ধে সংগঠিত কৰি তোলে। জীৱন দি হ'লেও তেওঁ বগা বঙালৰ কবলৰ পৰা দেশ উদ্ধাৰ কৰিবলৈ সংকল্পবদ্ধ ঃ

'........... অসমৰ সোণবৰণীয়া ধাননিত আজি আকালৰ বিভীষিকা, লুইতৰ বুকুত আজি তেজৰ ঢল। ঘৰে ঘৰে শুনো কান্দোনৰ ৰোল — ফৰ্মুদ্দালি, বাহাদুৰ, ফুকন, পিয়লি, কোনে গুচাব এই কান্দোন। লুইতৰ তেজে ৰঙা পানীত কোনে বোৱাব পুনৰ ফটিক ৰূপালী ঢল; কোনে কৰিব পণ জীৱন দি হ'লেও ফিৰিঙ্গি বগা বঙালক অসমৰ চাৰি ঢাপৰ পৰা বাজ কৰিহে এৰিম।"

কিন্তু, মণিৰাম দেৱানৰ সকলো প্ৰচেষ্টা তেওঁৰ গোপন চিঠি উদ্ধাৰৰ লগে লগে ব্যৰ্থ হৈ পৰিল। শেষত হৰনাথৰ চক্ৰান্তত মণিৰাম দেৱনাক ফাঁচী দিয়া হ'ল। ফাঁচীৰ আগমুহূৰ্তত হৰনাথৰ' প্ৰতি মণিৰামে দিয়া অভিশাপে দেৱানৰ গগনচুম্বী ব্যক্তিত্বৰ লগতে তেওঁৰ চাৰিত্ৰিক গাম্ভীৰ্যত আঘাত হানিছে ঃ

"তোক মই শাও দিছো, হৰনাথ! যেতিয়া মৰণশয্যাত পৰি চট্‌ফট্ কৰিবলৈ ধৰিবি, তেতিয়া হৰনাথ, তোৰ মুখত পানী এটুপি দিবলৈকো কাকো বিচাৰি নাপাবি। গোটেই গাতে তোৰ পোক লাগিব। তিল্‌তিলকৈ তোৰ নাৰকীয় দেহৰ অন্ত পৰিব।"

মণিৰামৰ দৰে বিশাল ব্যক্তিত্বসম্পন্ন এজন বীৰৰ মুখত এনে কথাই শোভা নাপায়। 'পিয়লি ফুকন'তো পিয়লিয়ে মণিৰামক অনুৰূপ এষাৰ কথাই কৈছে ঃ

Scanned with CamSc

"মৰণ কালত এনে ঘোৰ অপমান দি মৰালি বাবে ডিঙিত চিপজৰী লৈ মই অন্তৰৰ পৰা কৈ যাওঁ যে, যি গছ জৰী মই বাবত পালো, সেই একে গছ জৰী তই অবাবতে পাবি।"

এনে বচনে চৰিত্ৰটিৰ মৰ্যাদা বৃদ্ধি কৰাৰ পৰিবৰ্তে হ্ৰাসহে কৰিছে। মণিৰামৰ জীৱনৰ শোকাবহ পৰিণতিত আপেক্ষিক বিষাদ আছে যদিও, তেওঁক বিষয় নায়ক আখ্যা দিব নোৱাৰি।

কন্দৰ্পেশ্বৰ সিংহৰ চৰিত্ৰত ক্ষোভ অসহায়তা আৰু ব্যৰ্থতা প্ৰকাশ পাইছে। ক্ষোভ আৰু হতাশাত জৰ্জৰিত হৈ তেওঁ মণিৰাম দেৱানক কৈছে ঃ

"অতীত অতীততে লুপ্ত হৈ যাওঁক দেৱান। অতীতৰ কথা তুলি মোৰ পূৰ্বপুৰুষসকলৰ যশ, মান, শৌৰ্য-বীৰ্যৰ কথা সোঁৱৰাই দি মোক আৰু লাজ নিদিব। জগতে মোক দুৰ্বল, আহোম কুলৰ কণ্টক বুলি গৰিহণা দিছে। প্ৰজাই ভগাৰজা বুলি তিৰস্কাৰ কৰিছে।"

হৰনাথৰ চৰিত্ৰত স্বাৰ্থপৰতা, নিষ্ঠুৰতা, কঠোৰ শাসকৰ আৰু দমন নীতিৰ চূড়ান্ত ৰূপ এটি লক্ষ্য কৰা যায়। হৰনাথ বৰুৱাই গোলাম মনোবৃত্তিৰে ব্ৰিটিছৰ একান্ত ভৃত্যৰ দৰে কাম কৰিছে। সেয়েহে দেৱানে হৰনাথক সতৰ্ক কৰি দি কৈছে ঃ 'হৰনাথ পৰ্বতীয়া বৰুৱা। অসমৰ কালৰাহু হৰনাথ দাৰোগা। তোক মই এনে শাস্তি দিম হৰনাথ যে ভাবিলে মানুহৰ গাৰ নোম শিয়ঁৰি উঠিব।"

হলৰইড্ আৰু জজ মিলৰ চৰিত্ৰত সাম্ৰাজ্যবাদী মনোভাব, যুক্তি-বিচাৰহীনতা আৰু মদগৰ্বী মনোভাবৰ পৰিচয় পোৱা যায়।

"হলৰইড্ ঃ Your Excellency, Hanging first-trial afterwards.

মিল ঃ Yes, আগাৰি ফাঁচী। উচকা বাদ হোগা বিচাৰ। Hanging first and trial afterward -- What an idea, হাঃ হাঃ হাঃ, Long live Britania হাঃ হাঃ হাঃ হাঃ হাঃ হাঃ।"

পিয়লী বৰুৱা, দুতিৰাম চিৰস্তাদাৰ, ফমুৰ্দ্দালি, বাহাদুৰ গাঁওবুঢ়া, বলোৰাম ফুকন আদিৰ চৰিত্ৰত বীৰত্ব, সাহস আৰু দেশপ্ৰেমৰ পৰিচয় পোৱা যায়।

পিয়লী বৰুৱা সাহসী আৰু ইংৰাজৰ কুটনীতি সম্পৰ্কে সচেতন আৰু বিচক্ষণ ৰাজনৈতিক কৰ্মী। দুটিৰাম চিৰস্তাদাৰ মণিৰাম দেৱানৰ বিশ্বাসী সহযোগী। ইংৰাজৰ বিৰুদ্ধে অসমবাসীক একত্ৰিত কৰাৰ বাবে দুটিৰামে আন আন বিশ্বাসী দেশপ্ৰেমিকৰ লগ হৈ গোপন ষড়যন্ত্ৰত লিপ্ত হৈছিল।

ফৰ্মুদ্দালি, বাহাদুৰ গাঁওবুঢ়া আদিয়ে বগা বঙালক অসমৰ পৰা খেদিবৰ বাবে সংকল্পবদ্ধ হৈ সংগঠনৰ কামত লাগিছে; 'অসমৰ ইমুৰৰ পৰা সিমুৰলৈকে

Scanned with CamSc

বিদ্ৰোহৰ আগনি জ্বলাই তুলিছে' বাহাদুৰ গাঁওবুঢ়াই অসমৰ আজাদীৰ হকে প্ৰাণ দিবলৈ সাজু হৈছে।

নাৰী চৰিত্ৰৰ ভিতৰত ৰাজমাও আৰু নুমলী ঐতিহাসিক চৰিত্ৰ। ঐতিহাসিক চৰিত্ৰত ঐতিহাসিক স্তৰতে নাৰাখি নাট্যকাৰে চৰিত্ৰ দুটিত নাৰীসুলভ কোমলতা আৰু স্নেহশীলতাৰ পৰিস্ফুৰণ ঘটাইছে। দেশপ্ৰেম, কৰ্ত্তব্যৰ প্ৰতি সচেতনতা, চৰিত্ৰ দুটিৰ মন কৰিবলগীয়া বৈশিষ্ট্য।

ফুলকুমাৰী আৰু ললিতা চৰিত্ৰ দুটিৰ যোগেদি ৰোমাঞ্চ সৃষ্টি কৰিবলৈ সক্ষম হৈছে যদিও নাট্যকাহিনীৰ বিকাশৰ সৈতে চৰিত্ৰ দুটিৰ চাৰিত্ৰিক কাৰ্যকলাপৰ বিশেষ সম্পৰ্ক দেখা নাযায়।

সংলাপৰ ক্ষেত্ৰত নাট্যকাৰে সচেতনতাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। নাটকীয় সংলাপৰ ভাষা নাট্যগুণবিশিষ্ট আৰু চৰিত্ৰৰ পদমৰ্যাদাৰ অনুকুল। ইংৰাজ চৰিত্ৰকেইটিৰ বচনত ইংৰাজী-হিন্দী-অসমীয়া মিহলি উক্তিয়ে নাটকখনিৰ আকৰ্ষণীয় গুণ বৃদ্ধি কৰিছে।

পৰিৱেশ সৃষ্টিৰ ক্ষেত্ৰত ঐতিহাসিক অসঙ্গতিৰ কথা আগতে উল্লেখ কৰা হৈছে। মুঠতে ইতিহাসৰ ঘটনাৰ আলমত ৰচিত নাটক হিচাপে দুই এটি ত্ৰুটী সত্বেও 'মণিৰাম দেৱান' এখন সফল ঐতিহাসিক নাটক। নাটখনত মণিৰাম দেৱানক পোনপটীয়াভাৱে ৰঙ্গমঞ্চত দৰ্শকৰ সন্মুখত ফাঁচী দিয়াৰ দৃশ্য অৱতাৰণা নকৰি সেইকথা দৰ্শকক অনুমান কৰিবলৈ দি নাট্যকাৰে কলাত্মক ৰুচিবোধৰ পৰিচয় দিছে।

❖❖❖

Scanned with CamSc